For members only

# যোগাযোগ

# JOGAJOG

January : 2018

Vol : 10 No: 4 Sl No: 112

Monthly Newsletter of
Assam Association, Delhi

*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com



## সম্পাদকীয়

নমস্কাৰ। সমূহ দিল্লীবাসী অসমীয়া ৰাইজলৈ গ্ৰেগৰিয়ান পঞ্জিকাৰ নৱবৰ্ষ ২০১৮ ৰ ওলগ জনালো। নতুন বছৰটি সকলোৰে বাবে সুখময়, সমৃদ্ধিশালী হৈ উঠক তাৰেই কামনা কৰিলো। লগতে ভোগালী বিহু তথা মকৰ সংক্ৰান্তিৰো উমাল ওলগ জনালো। মেজিৰ জুইৰ শিখাই সকলোৰে দেহ-মন পৱিত্ৰ কৰি তোলক, সকলো অপায় অমঙ্গল দূৰ হওক। ভৱিষ্যত জীৱন সকলোৰে জীপাল হৈ উঠক তাৰেই প্ৰাৰ্থনা জনালো। সুদূৰ অসমৰ পৰা আঁতৰি আহি প্ৰৱাসী জীৱন কটোৱা সকলো দিল্লীবাসী ৰাইজে, অসমৰ গাঁৱৰ পথাৰত ভেলাঘৰ সাজি ভোজ-ভাত খোৱাৰ আৰু মেজিৰ জুইলৈ মাহ-কৰাই আগবঢ়োৱা আনন্দময় ছবিখন সজীৱ কৰি তোলাৰ সুযোগ লোৱাৰ সময় আকৌ আহি পৰিছে। অসম এছোচিয়েছন, দিল্লীৰ দ্বাৰা ভোগালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি ইতিমধ্যেই আৰম্ভ হৈছে। এছোচিয়েছনৰ সাধাৰণ সম্পাদক দীপক শইকীয়াদেৱে সকলোকে সাদৰ আমন্ত্ৰণ জনাইছে। (সবিশেষ সিপিঠিত)

দিল্লীৰ ব্যস্ততাপূৰ্ণ জীৱনৰ পৰা অলপ আহৰি লৈ, নতুন বছৰটিৰ আৰম্ভণিতে জীৱনৰ কেইটিমান পল স্মৰণীয় কৰি তোলোঁ আহক ভোগালীৰ ভোগেৰে।

## ‘অসম এছোচিয়েছন, দিল্লীৰ বাৰ্ষিক ক্ৰীড়া দিৱস আৰু ভোগালী বিহু উদ্‌যাপন

অসম এছোচিয়েছন, দিল্লীৰ বাৰ্ষিক ক্ৰীড়া দিৱস আৰু ভোগালী বিহু অহা ইংৰাজী ২১ জানুৱাৰী তাৰিখে কেন্দ্ৰীয় সচিবালয় খেলপথাৰত (বিনয় মাৰ্গস্থিত) নিম্নোক্ত কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হ'ব-

পুৱা ১০-৩০ বজাত পতাকা উত্তোলন, ১০-৪৫ বজাত মেজি প্ৰজ্জ্বলন, তাৰ পিছত শিশুসকলৰ বাবে চিত্ৰাঙ্কণ প্ৰতিযোগিতা, মহিলাসকলৰ বাবে মিউজিক চেয়াৰ প্ৰতিযোগিতা, বয়োজ্যেষ্ঠসকলৰ বাবে খোজকঢ়া প্ৰতিযোগিতা, সকলোৰে বাবে ফুটবল, ৰচীটনা আৰু দৌৰ আদিৰ লেখীয়া বিভিন্নধৰণৰ প্ৰতিযোগিতা তথা খেল-ধেমালি। ইয়াৰ উপৰি মঞ্চত বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰো যো-জা চলোৱা হৈছে। ভোগৰ উৎসৱ ভোগালী বিহুৰ এই উদ্‌যাপনত খাদ্যৰ প্ৰতিও বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। পুৱা চাহ-জলপান, পিঠা-পনা আৰু মাহ-প্ৰসাদৰ পিছত দুপৰীয়া বৃহৎ সামূহিক ভোজৰ আয়োজন কৰা হৈছে। অনুদান গাইপতি ৩০০ টকা।

এই বাৰ্ষিক ক্ৰীড়া দিৱস আৰু ভোগালী বিহু উদ্‌যাপন অতি নিয়াৰিকৈ সম্পাদন হোৱাটো নিশ্চিত কৰিবৰ বাবে অসম এছোচিয়েছন দিল্লীয়ে গঠন কৰি দিয়া উপ-কমিটিৰ বিভিন্ন সদস্য-সদস্যাসকলে উদ্‌যাপন সফলমণ্ডিত কৰি তুলিবলৈ উঠি-পৰি লাগিছে। প্ৰতিবাৰৰ দৰে এইবাৰো মাঘ বিহু উদ্‌যাপনৰ সময়তে এছোচিয়েছনৰ স্মৰণিকা ‘সাময়িক’ প্ৰকাশৰো যো-জা চলাই থকা হৈছে বুলি আলোচনী সম্পাদক মাণিক দাশে জানিবলৈ দিছে। সকলো দিল্লীবাসী অসমীয়া ৰাইজক নিজৰ পৰিয়াল তথা সবান্ধৱে এই বৃহৎ উদ্‌যাপনত অংশগ্ৰহণ কৰিবলৈ এছোচিয়েছনৰ হৈ সাধাৰণ সম্পাদকে সাদৰেৰে নিমন্ত্ৰণ জনাইছে। কোনোবা সদাশয় ব্যক্তিয়ে যদি ভোগালী বিহুৰ বাবে দান বৰঙণি আগবঢ়াব বিচাৰে তেন্তে সম্পাদক দীপক শইকীয়া (৯২১২১৮০৯১৪) আৰু কোষাধ্যক্ষ পবিত্ৰ কুমাৰ নাথৰ (৯৮৬৮১৬৩৩৯৫) সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

## সৰস্বতী পূজাৰ আয়োজন

অহা ইংৰাজী ২২ জানুৱাৰী তাৰিখ সোমবাৰে শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ প্ৰাঙ্গনত আন কেইবাৰৰ দৰে এইবাৰো দিল্লীবাসী অসমীয়া মহিলাসকলে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই সৰস্বতীৰ পূজাৰ আয়োজন কৰিছে। সেইদিনা প্ৰাতঃ ১০ঃ৩০ বজাৰ পৰা পূজা আৰম্ভ হ'ব বুলি আয়োজকসকলে জানিবলৈ দিছে। এই পূজালৈ সকলো দিল্লীবাসী ৰাইজক সাদৰেৰে আমন্ত্ৰণ জনাইছে। যোগাযোগ নম্বৰ ঃ শ্ৰীমতী অৰুণা বৰুৱা- ৯৮৭৩৪৩৯১৩৪, শ্ৰীমতী মধুমায়া ডেকা- ৯৮৭১৪৬৬১৩২

## বৰদৈচিলা ফাউণ্ডেছনৰ মাঘবিহুৰ উৰুকা উদ্‌যাপন

অহা ইং ১৩ জানুৱাৰী ২০১৮, শনিবাৰে বৰদৈচিলা ফাউণ্ডেছনে দিল্লী হাটৰ বিপৰীতফালে থকা ৰেষ্টেণ্ড মাৰ্গ গ্ৰাউণ্ডত (চাকেট মেট্ৰো ষ্টেছনৰ কাষত) সন্ধিয়া ৬ বজাৰ পৰা মাঘবিহুৰ উৰুকা উদ্‌যাপনৰ দিহা কৰিছে। ভোগালীৰ ভোজভাত সুস্বাদু কৰি তুলিবৰ বাবে এইবাৰ ফাউণ্ডেছনে বড়ো ব্যঞ্জনত পাকৈত এজন বিশেষ ৰান্ধনি অসমৰ গোৰেশ্বৰৰ পৰা আমন্ত্ৰণ কৰি আনিছে বুলি জানিবলৈ দিছে। আয়োজকে জানিবলৈ দিয়া অনুসৰি এই উদযাপনত প্ৰৱেশ মাচুল গাইপতি ৫০০ টকা। আনহাতে ৯ বছৰৰ অনুৰ্দ্ধৰ শিশুহঁতৰ বাবে প্ৰৱেশ বিনামূলীয়া। উদযাপনৰ লগত সংগতি ৰাখি সকলো বয়স গোটৰ বাবে অৰূপজ্যোতি সোঁৱৰণি মুকলি কুইজ প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। এই উৰুকা উদযাপনত অংশগ্ৰহণ কৰিবৰ বাবে ১২ জানুৱাৰীৰ পূৰ্বে নিজৰ নাম পঞ্জীয়ন কৰিবলৈ আয়োজকে অনুৰোধ জনাইছে। ইয়াৰ বাবে ফোন নম্বৰ কেইটা হৈছে ঃ ৯৮১৮০৪৩৩৫৭, ৯৭১৭৭৭৬৮৪৬, ৯৮৭৩৫৬৭৫৬৮

## নয়দাত মাঘবিহু উদযাপনৰ যো-জা

এ.পি.ডব্লিউ.এ.-য়ে অহা ইং ১৩ জানুৱাৰী ২০১৮, শনিবাৰে সন্ধ্যা ৪ বজাৰ পৰা মাঘবিহু উদযাপনৰ দিহা কৰিছে। এই উদযাপনত বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান আৰু খেলধেমালিকে ধৰি বিশেষ কিছুমান আকৰ্ষণীয় প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। লগতে বিভিন্ন ব্যঞ্জনেৰে এক বৃহৎ ভোজৰ আয়োজন কৰা হৈছে বুলি আয়োজকে জানিবলৈ দিছে। এই উদযাপনত অংশগ্ৰহণ কৰিবৰ বাবে নয়নজিৎ (৯৯৫৮৬৮২৭৭৭) বা মিন্টু (৮৮২৬৬৩৯৯৪৪) লৈ ফোন কৰি নিজৰ নাম পঞ্জীয়ন কৰিব পাৰে। আয়োজনৰ স্থানঃ আৰ.ডব্লিউ.এ. কমিউনিটি চেন্টাৰ, চেক্টৰ ৫৫, নয়দা।

## সত্ৰীয়া একাডেমীত নামভৰ্তি

অসম এছোচিয়েছন, দিল্লীৰ সত্ৰীয়া একাডেমীত নিয়মিত ৰূপে সত্ৰীয়া নৃত্যৰ পাঠদান চলি আছে । এই একাডেমীত নামভৰ্তীৰ বাবে ইচ্ছুক বিদ্যাৰ্থীসকলৰ অভিভাৱকক একাডেমীৰ অধ্যাপক ভবানন্দ বৰবায়নৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। প্ৰতিজন বিদ্যাৰ্থীৰ মাহেকীয়া মাচুল মাত্ৰ ২০০ টকা। পাঠদানৰ সময় প্ৰতি শনিবাৰে বিয়লি ৪ বজাৰ পৰা আৰু প্ৰতি দেওবাৰে পুৱা ১০ বজাৰ পৰা। যোগাযোগৰ ভ্ৰাম্যভাষ নম্বৰ- অধ্যাপক -৯৮১০৫৮১৮৬৯, ব্যৱস্থাপক ন্যাসৰক্ষী- ৯৮১৮৮৪০২০২, সাধাৰণ সম্পাদক -৯২১২১৮০৯১৪

**For Booking of Guest Rooms, Dormitory, Auditorium, Conference Hall, Open-air Space & Stage and Lounge at**

**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**

**Please mail to: aacet 2015@gmail.com**
**or call to Managing Trustee**
**AACET Delhi**
**Ph. 9818840202**

-Advertisement-

## FOR RENT

**3 BHK fully furnished flat available at**
**Paras Tierra, Noida Expressway, Sector 137,**
*walking distance from the upcoming metro station.*
**Assamese or other FAMILY is preferable**
**For further details contact +91 9311336305**

1/1

**Advertisement rates:**

| | Monthly (1 Issue) | Yearly (12 Issues) |
|---|---|---|
| Full page : | Rs. 2500/- | Rs. 25,000/- |
| Half page : | Rs. 1800/- | Rs. 16,000/- |
| Quarter page : | Rs. 800/- | Rs. 8000/- |

-Advertisement-

# Packers & Movers

## Assam Dooars Logistics

Guwahati : 9864042023, 9854849637

Tinsukia : 9864147344, 9085107761

Bongaigoan :9864477616,9435021374

Delhi : Chaman Plaza, Opp : ISKCON, East of Kailash, New Delhi–110065

**Tel : 011-32621128, 9212248342, 9811348342**

(Service all Over North East)

12/12